**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-10 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
-------------------

ৰাজ্যৰ দ্বিতীয়খন ৰাজধানী ডিব্ৰুগড় মহানগৰৰ ফুলবাগানৰ সমীপত জোগাৰ্ছ পাৰ্ক আৰু কছাৰী ঘাট শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে। ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কালি খহনীয়াগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰতিৰোধৰ ব্যৱস্থাৰ বাবে বিভাগক নিৰ্দেশনা দিয়াৰ এদিন পাছতে আজি কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ আৰু জাহাজ পৰিবহন বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ষেত্ৰ পৰিদৰ্শন কৰি খহনীয়া ৰোধৰ বাবে তৎকালীনভাৱে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খহনীয়াস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক অৱস্থাৰো বুজ লয়। লগতে অধিক ক্ষয়-ক্ষতি ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে।

বাইট ঃ সোণোৱাল

০০০০

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি ডিব্ৰুগড় সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীসকলৰ চেক বিতৰন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ১৪ হাজাৰ ২৫ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। ইয়াৰে সাত হেজাৰ ৭৭০ গৰাকী মহিলা হিতাধিকাৰী গ্ৰামাঞ্চলৰ আৰু ছহেজাৰ ২৪৮ গৰাকী নগৰাঞ্চলৰ হিতাধিকাৰী আছে। আজি চেক বিতৰণ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহন মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য চৰকাৰৰ কেইবগাৰকীও মন্ত্ৰী আৰু বিধায়ক উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম-জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয় চৌহদত পুনৰ নিৰ্মিত সোৱণশিৰি হাট উদ্বোধন কৰে। নাবাৰ্ড আৰু জিলা খনিজ ফাউণ্ডেছন ট্ৰাষ্টৰ সহযোগত পুনৰ নিৰ্মাতি এই হাটখনৰ উদ্বোধনী অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৰিৰ প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী শ্ৰী পেগুৱে ইয়াৰ জৰিয়তে আত্মসহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ সুবিধা প্ৰদানৰ লগতে স্থানীয় উৎপাদক তথা উদ্যোগীসকলে এখন নিৰ্ভৰযোগ্য মঞ্চ লাভ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তকাৰী গোটে আজি প্ৰয়াত শিল্পীগৰাকীৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পিছতে বিশেষ তদন্তকাৰী গোটে দুয়োগৰাকীকে কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। আদালতে অভিযুক্ত দেহৰক্ষীদ্বয়ত ৫ দিনৰ বাবে তদন্তকাৰী গোটৰ জিম্মালৈ প্ৰেৰণ কৰে। দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বেংক একাউণ্টৰ যোগেদি বিগত বছৰত কোটি টকাৰ লেন-দেন হোৱাটো ধৰা পৰিছিল। সেই সন্দৰ্ভত তদন্তকাৰী গোটটোৱে কেইবাদিনো ধৰি কৰা সোধা পোচাৰ অন্তত আজি দুয়োকে গ্ৰেপ্তাৰ কৰে।

উল্লেখযোগ্য যে নন্দেশ্বৰ বৰা ২০১৮ বৰ্ষৰ পৰা জুবিন গাৰ্গৰ দেহৰক্ষী হিচাপে আছিল। আনহাতে, পৰেশ বৈশ্যক ২০২৩ চনত জুবিন গাৰ্গৰ দেহৰক্ষী হিচাপে নিযুক্তি দিয়া হৈছিল। দুয়োগৰাকী দেহৰক্ষীকে গ্ৰেপ্তাৰৰ পিছতে আৰক্ষীয়ে নিলম্বন কৰে।

০০০০০

শিৱসাগৰ নগৰ শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত সংহত শিশু উন্নয়ন আঁচনিৰ সোণালী জয়ন্তী কাৰ্যসূচী আজি শিৱসাগৰ যুৱ দৌল প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি তৰ্পণ, সম্বৰ্ধনা অনুষ্ঠান আদিৰে আৰম্ভণি হোৱা এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশ সন্দৰ্ভত আলোচনাৰো আয়োজন কৰা হয়।

০০০০০

হোজাই জিলা উপায়ুক্তৰ কাৰ্যালয়ত আজি মহকুমা ভূমি পৰামৰ্শ দাতা সমিতি আৰু সম-জিলা ভূমি পৰামৰ্শ দাতা সমিতি হোজাইৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনত হোজাইৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে অধ্যক্ষতা কৰে। সভাখনত আয়ুক্তগৰাকীৰ উপৰি হোজাইৰ সংশ্লিষ্ট বিভাগৰ ভালেমান বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

সমাপ্ত